অধ্যায় ৪ ঃ উৎপাদন

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ উৎপাদনৰ ধাৰণা
৪.৪ উৎপাদনৰ উপাদান
৪.৫ উৎপাদন ফলন
৪.৬ ৰৈখিক সমগুণসম্পন্ন উৎপাদন ফলন
৪.৭ কাম্য উপাদানৰ সংযোজন
৪.৭.১ সমুৎপাদন ৰেখা
৪.৭.২ সম ব্যয় ৰেখা
৪.৮ পৰিৱৰ্তনশীল অনুপাত বিধি
৪.৯ প্ৰতিদানৰ মাত্ৰা
৪.১০ উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা আৰু অমিতব্যয়িতা
৪.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১২ অধিক জানিবলৈ
৪.১৩ অগ্ৰগতিৰ খতিয়ান
৪.১৪ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উৎপাদনৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- সেৱা আৰু সামগ্ৰী উৎপাদনত ব্যৱহাৰ হোৱা উপাদানসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- উৎপাদনৰ উপাদান আৰু চূড়ান্ত উৎপাদনৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বৃহৎ পৰিমাণৰ উৎপাদনৰ সুবিধা আৰু অসুবিধাসমূহ আলোচনা কৰিব পাৰিব

৪.২ পৰিচয়

দ্বিতীয় গোটত আমি চাহিদা বিধিৰ ওপৰত ভিত্তি কৰি উপভোক্তাৰ আচৰণ সম্পৰ্কে আলোচনা কৰিছো। এই গোটত আমি উৎপাদকৰ আচৰণ সম্পৰ্কে বিশ্লেষণ আগবঢ়াম। এজন উৎপাদনকাৰী অথবা এখন প্ৰতিষ্ঠানে বিভিন্ন উপাদান তথা সম্পদৰাজি যথাযথ ব্যৱহাৰৰ যোগেদি

এক নির্দিষ্ট পৰিমাণৰ দ্ৰব্য আৰু সেৱাৰ উৎপাদন আৰু বিক্ৰীৰ ব্যৱস্থা কৰে। উৎপাদনকাৰীয়ে মুনাফা অৰ্জনৰ কাৰণে সামগ্ৰী উৎপাদন কৰে।

এই গোটত আমি এখন প্ৰতিষ্ঠানৰ উৎপাদন ফলনৰ বিভিন্ন দিশসমূহ আলোচনা কৰিম। লগতে আমি সম্পদৰ সহায়ত উৎপাদিত চূড়ান্ত সামগ্ৰী আৰু উৎপাদনত ব্যৱহৃত সম্পদসমূহৰ মাজত থকা সম্পৰ্ক আলোচনা কৰিম। তদুপৰি, উৎপাদন আৰু উৎপাদনৰ বাবে ব্যৱহৃত সম্পদসমূহৰ মাজত থকা সম্পৰ্ক আলোচনা কৰোতে আমি পৰিৱৰ্তনশীল অনুপাত বিধি আৰু উৎপাদনৰ প্ৰতিদান মাত্ৰা বিধিৰ ওপৰতো আলোকপাত কৰিম। এই সংক্ৰান্তত এখন প্ৰতিষ্ঠানে উৎপাদন ব্যয় ন্যূনতম কৰিবলৈ যাওঁতে উপাদানৰ কোনটো গোট বাছনি কৰিব সেই সম্পৰ্কেও আলোচনা কৰিম।

৪.৩ উৎপাদনৰ ধাৰণা

উৎপাদন বুলিলে আমি বিভিন্ন দ্ৰব্য আৰু সেৱা সামগ্ৰী প্ৰস্তুত কৰাৰ প্ৰণালীকে বুজো। এজন উৎপাদনকাৰী নতুবা এখন প্ৰতিষ্ঠানে বিভিন্ন উপাদান যেনে— শ্ৰম, যন্ত্ৰপাতি, ভূমি, কেঁচা সামগ্ৰী ইত্যাদি সংগ্ৰহ কৰে। এই সকলোবিলাক উপাদান সংঘবদ্ধ কৰি সামগ্ৰী উৎপাদন কৰে। ইয়াকেই উৎপাদন-প্ৰণালী বুলি কোৱা হয়। উপাদান সংগ্ৰহ কৰিবলৈ যাওঁতে প্ৰতিষ্ঠানখনে উপাদানৰ গৰাকীক মূল্য পৰিশোধ কৰিব লগা হয় আৰু ইয়াকেই উৎপাদনৰ ব্যয় বুলি জনা যায়। এবাৰ উৎপাদন সম্ভৱ হোৱাৰ পাছত, প্ৰতিষ্ঠানখনে ইয়াক বজাৰত বিক্ৰী কৰে আৰু আয় অৰ্জন কৰে। এই আয়ৰ পৰা উৎপাদনৰ ব্যয় বিয়োগ কৰিলে যি অৱশিষ্ট আয় থাকি যায় তাকে প্ৰতিষ্ঠানখনৰ মুনাফা বা লাভ বুলি কোৱা হয়। সৰ্বোচ্চ লাভ বা মুনাফা অৰ্জনেই প্ৰতিখন প্ৰতিষ্ঠানৰ মুখ্য লক্ষ্য বুলি আমি ধৰি লওঁ। লাভ সৰ্বোচ্চ কৰিব বিচৰা প্ৰতিষ্ঠান এখনে সেই পৰিমাণৰহে উৎপাদন কৰিবলৈ সিদ্ধান্ত লয় য'ত লাভৰ পৰিমাণ সৰ্বোচ্চ হয়।



উৎপাদন ঃ উৎপাদন প্ৰক্ৰিয়াৰ পৰা যি পোৱা যায় তাকেই উৎপাদন বুলি কোৱা হয়।

৪.৪ উৎপাদনৰ উপাদান

দ্ৰব্য আৰু সেৱা সামগ্ৰী উৎপাদন কৰিবৰ বাবে যি প্ৰয়োজন হয় তাকেই উৎপাদনৰ উপাদান বুলি কোৱা হয়। মূলতঃ উৎপাদনৰ উপাদান চাৰিটা ঃ ভূমি, শ্ৰম, মূলধন আৰু সংগঠন। উৎপাদনৰ চাৰিটা উপাদানৰ সংঘবদ্ধ প্ৰচেষ্টাৰ ফলশ্ৰুতিয়েই হৈছে দ্ৰব্য আৰু সেৱাৰ উৎপাদন। এই চাৰিটা উপাদানৰ ভিতৰত ভূমি আৰু শ্ৰমক প্ৰাথমিক উপাদান আৰু মূলধন আৰু সংগঠনক আহৰিত (derived) উৎপাদনৰ উপাদান বুলি কোৱা হয়। প্ৰাথমিক উপাদানৰ অবিহনে উৎপাদন সম্ভৱ নহয়। ভূমি আৰু শ্ৰমৰ যৌথ প্ৰচেষ্টাত মূলধন উপাদানৰ সৃষ্টি হয়। চতুৰ্থ উপাদান-'সংগঠন' হৈছে শ্ৰমৰ সৃষ্টি। এতিয়া আমি উৎপাদনৰ প্ৰতিটো উপাদানৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিম।

ভূমি ঃ সাধাৰণ ভাষাত ভূমি হৈছে মাটি বা পৃথিৱীৰ উপৰিভাগ। অৰ্থবিজ্ঞানত ভূমিয়ে সকলোবিলাক প্ৰাকৃতিক সম্পদ, যেনে— পানী, মাটি, খনিজ, অৰণ্য, ইত্যাদিবোৰক সামৰি লয়। প্ৰকৃতিৰ

সকলোবিলাক মুক্ত অৱদান যাৰ যোগান সীমাবদ্ধ, তাকেই ভূমি বুলি গণ্য কৰা হয়।

ভূমিৰ বৈশিষ্ট্যসমূহ ঃ উৎপাদানৰ উপাদান হিচাবে ভূমিৰ নিম্নোক্ত বৈশিষ্ট্যসমূহ দেখা যায়—

i) ভূমি হৈছে প্ৰকৃতিৰ মুক্ত দান। সেয়েহে ইয়াৰ কোনো উৎপাদন ব্যয় নাই।

ii) ভূমিৰ যোগান সীমিত।

iii) গুণগতভাৱে ভূমি ভিন্ন ভিন্ন। অধিক সাৰুৱা ভূমিয়ে কম সাৰুৱা ভূমিৰ তুলনাত অধিক উৎপাদন কৰিব পাৰে।

iv) ভূমিৰ ভৌগলিক চলনশীলতা নাই। ইয়াক এঠাইৰ পৰা আনঠাইলৈ লৈ যাব নোৱাৰি, কিন্তু মালিকীস্বত্বৰ হস্তান্তৰ কৰিব পাৰি।

শ্ৰম ঃ কোনো দ্ৰব্য বা সেৱা উৎপাদন কৰাৰ বাবদ আংশিক বা সামগ্ৰিকভাৱে যি মানসিক বা শাৰীৰিক পৰিশ্ৰম কৰা হয় তাকেই শ্ৰম বুলি ক'ব পাৰি। ই হৈছে মানুহৰ শাৰীৰিক আৰু মানসিক এই দুয়োটাৰ লগত জড়িত সক্ষমতা নতুবা উৎপাদন ক্ষমতা। চমুকৈ, শ্ৰম বুলি ক'লে অৰ্থবিজ্ঞানত শ্ৰমিকে আয় অৰ্জনৰ অৰ্থে সাধন কৰা কামক বুজোৱা যায়।

শ্ৰমৰ বৈশিষ্ট্য ঃ শ্ৰমৰ বৈশিষ্ট্যসমূহ তলত ব্যাখ্যা কৰা হ'ল।

i) শ্ৰমক শ্ৰমিকৰ পৰা পৃথক কৰিব নোৱাৰি। শ্ৰমিকে কৰ্মস্থলীৰ পৰা আতৰত থাকি শ্ৰম যোগান ধৰিব নোৱাৰে।

ii) শ্ৰমক সঞ্চয় কৰি ৰাখিব নোৱাৰি। শ্ৰম এবাৰ নষ্ট হোৱাৰ পাছত চিৰদিনৰ বাবেই নষ্ট হৈ যায়।

iii) শ্ৰম গতিশীল। শ্ৰম এঠাইৰ পৰা আন ঠাইলৈ সহজে গতি কৰিব পাৰে।

iv) শ্ৰম কেৱল মজুৰিৰ দ্বাৰাই প্ৰভাৱান্বিত নহয়। অন্যান্য উপাদান যেনে কৰ্মস্থলীৰ পৰিৱেশ, কামৰ সময়, আমোদ-প্ৰমোদৰ সা-সুবিধা ইত্যাদি উপাদানৰ দ্বাৰাও প্ৰভাৱান্বিত হয়।

v) শ্ৰম দক্ষতা অনুযায়ী পৃথক পৃথক। যন্ত্ৰ এটাৰ দৰে প্ৰত্যেকজন শ্ৰমিকে সদায় সম পৰিমাণৰ কাম কৰিব নোৱাৰে আৰু শ্ৰমিক অনুসাৰে মজুৰিও পৃথক পৃথক হয়।

মূলধন ঃ মূলধন বুলি ক'লে সেই সম্পদবোৰক বুজোৱা হয় যাৰ আয় সৃষ্টি কৰিব পৰা সক্ষমতা থাকে আৰু যিবোৰ নিজে উৎপাদিত। যদিও মূলধন উৎপাদনৰ এক আহিলা, ই কিন্তু মানৰ সৃষ্ট। সেয়েহে ইয়াক 'উৎপাদনৰ উৎপাদিত আহিলা' বুলি কোৱা হয়। মূলধন বুলি ক'লে আমি যন্ত্ৰপাতি, বিভিন্ন আচবাব, আঁচনি, গৃহ আদিক বুজো যি উৎপাদন কাৰ্য সম্ভৱ কৰি তোলে। কিন্তু মূলধনে কেঁচা সামগ্ৰী, ভূমি আৰু শ্ৰমক অন্তৰ্ভুক্ত নকৰে।

মূলধনৰ বৈশিষ্ট্য ঃ মূলধনৰ বৈশিষ্টসমূহ হ'ল—

i) মূলধন মানৱ সৃষ্ট, ই প্ৰকৃতিৰ অৱদান নহয়।

ii) ভূমিৰ যোগানতকৈ মূলধনৰ যোগানৰ স্থিতিস্থাপকতা বেচি।

iii) সকলোবিলাক মূলধনে সম্পদ হয় কিয়নো সম্পদৰ সকলোবোৰ বৈশিষ্ট্য যেনে উপযোগিতা, দুষ্প্ৰাপ্যতা, হস্তান্তৰযোগ্যতা আৰু বাহ্যিকতা মূলধনত বিৰাজমান।

iv) মূলধন উৎপাদনশীল। মূলধনৰ ব্যৱহাৰে উৎপাদন বৃদ্ধি কৰে।

v) সঞ্চয়ৰ পৰা মূলধনৰ সৃষ্টি হয়। সঞ্চয় হৈছে আয়ৰ সেই অংশ যাক উপভোগ কার্যত ব্যৱহাৰ কৰা নহয়। সঞ্চয় পুঁজি মূলধনলৈ ৰূপান্তৰিত হয়।

সংগঠন ঃ উৎপাদনৰ উপাদান হিচাপে সংগঠনে বাকীবোৰ উপাদানক সংঘবদ্ধ কৰে। সংগঠক বা উদ্যোক্তা এজনে উপাদানৰ ৩টা উপাদান-ভূমি, শ্রম আৰু মূলধনক সংঘবদ্ধ কৰি সিহঁতৰ মাজত এক সমন্বয় সাধনৰ যোগেদি এখন নির্দিষ্ট উৎপাদন আঁচনি প্রস্তুত কৰি তোলে।

সংগঠনৰ বৈশিষ্ট্যসমূহ ঃ

i) সংগঠন হৈছে উৎপাদনৰ আটাইতকৈ সক্রিয় উপাদান। বাকীবোৰ গৌণ উপাদানক সক্রিয় কৰি তোলাটো সংগঠনৰ এক কর্তব্য।

ii) সকলোবোৰ উদ্যোক্তা সমমান বিশিষ্ট নহয়। কাৰণ প্রত্যেক উদ্যোক্তাৰ সক্ষমতা ভিন্ন ভিন্ন।

iii) উদ্যোক্তাই উৎপাদন কার্যত বৰঙণি আগবঢ়োৱাৰ বাবে মুনাফা অর্জন কৰে।

কার্যাৱলী ঃ উৎপাদনৰ সক্রিয় উপাদান হিচাপে এজন সংগঠকে বিভিন্ন কার্যাৱলী সাধন কৰে। ইয়াৰে কিছু উল্লেখযোগ্য কার্যাৱলী তলত উল্লেখ কৰা হ'ল—

i) এজন উদ্যোক্তাই কি, কিমান, কেতিয়া আৰু ক'ত উৎপাদন কৰিব তাৰ পৰিকল্পনা কৰিব লাগে। সেয়েহে উদ্যোক্তাই অন্যান্য উপাদানবোৰৰ কার্যাৱলীৰ মাজতো সমন্বয় সাধন কৰিব লগা হয়। তদুপৰি তেওঁ অন্যান্য উপাদানক পাৰিশ্রমিক প্রদান কৰা আৰু উৎপাদিত সামগ্রীৰ বজাৰ ব্যৱস্থা কৰাৰ সিদ্ধান্ত ল'ব লাগে।

ii) উদ্যোক্তা এজনে নিজে গঢ় দিয়া আঁচনি নিজেই ৰূপায়ণ কৰিব লাগে। উৎপাদন কার্য পৰিদর্শন আৰু পুনর্বীক্ষণ উদ্যোক্তাজনেই কৰে।

iii) এই ক্ষেত্রত উদ্যোক্তা এজনৰ বিশেষ দক্ষতাৰ প্রয়োজন হয়। যিজন উদ্যোক্তাই নতুন উদ্ভাৱন বা উৎপাদন, বজাৰ নতুবা অন্যান্য ক্ষেত্রত নতুন ধাৰণাৰ সৃষ্টি কৰিব পাৰে, তেওঁৰেই অধিক লাভ অর্জন কৰিব পাৰে।

iv) ক্ষতিশংকা আৰু অনিশ্চয়তা বহন কৰাটো উদ্যোক্তা এজনৰ প্রধান কার্য। বস্তুৰ চাহিদা, কেঁচামালৰ দৰ আৰু যোগান, ভোক্তাৰ ৰুচি-অভিৰুচি ইত্যাদিবোৰ সদায় একে নাথাকে। এক অনিশ্চয়তাৰ মাজতেই সংগঠক এজনে উৎপাদনৰ সিদ্ধান্ত ল'ব লগা হয়।

যিহেতু এজন উদ্যোক্তা বা সংগঠকৰ যথেষ্ট দায়িত্ব থাকে আৰু তেওঁ বৃহৎ অনিশ্চয়তা বহন কৰে, সেয়েহে উদ্যোক্তাজনৰ সৃজনশীলতা গুণ থাকিব লাগিব। সেয়েহে উদ্যোক্তাজনক উদ্যোগটোৰ কেপ্টেইন বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ উৎপাদন কাক কয়?

প্রশ্ন নং ২ঃ উৎপাদনৰ চাৰিটা উপাদান কি কি?

৪.৫ উৎপাদন ফলন

এখন প্রতিষ্ঠানে উৎপাদন কৰা সামগ্রী আৰু উৎপাদনত ব্যৱহৃত উপাদানসমূহৰ মাজৰ সমপর্কক উৎপাদন ফলন বুলি কোৱা হয়। বিভিন্ন পৰিমাণৰ ব্যৱহৃত উপাদানৰ বিপৰীতে বিভিন্ন পৰিমাণৰ সামগ্রীৰ উৎপাদন হয়। উদাহৰণ স্বৰূপে ধৰাহওঁক এজন উৎপাদনকাৰীয়ে ষ্টীলৰ চকী উৎপান কৰে। তেওঁ ইয়াৰ বাবে দুজন শ্রমিক আৰু দুটা যন্ত্র আৰু ৫০ কেজি কেঁচা সামগ্রী ব্যৱহাৰ কৰিছে। ধৰাহওক ১ম শ্রমিকজনে ১ম যন্ত্রটো আৰু ২য় জন শ্রমিকে ২য় যন্ত্রটোৰ ব্যৱহাৰত পাকৈত। যদি ১ম জন শ্রমিকে ১ম যন্ত্রটো আৰু ২য় জন শ্রমিকে ২য় যন্ত্রটো ব্যৱহাৰ কৰে তেন্তে ৫০ কেজি কেঁচামালৰ সহায়ত ১০খন চকী উৎপাদন কৰিব পাৰে। কিন্তু যদি ১ম জনে ২য় যন্ত্রটো আৰু ২য় জনে ১ম যন্ত্রটো ব্যৱহাৰ কৰে তেন্তে একে ৫০ কেজি কেঁচামালৰ বিপৰীতে মাত্র ৭খন চকীহে উৎপাদন হয়। সেয়েহে দক্ষতামূলকভাৱে উৎপাদন কৰিলে ১০খন চকী আৰু অদক্ষতামূলকভাৱে উৎপাদন কৰিলে ৭খন চকীহে উৎপাদন হ'ব। উৎপাদন ফলনে কেৱল দক্ষ উৎপাদনকহে সূচায়। অর্থাৎ দুজন শ্রমিক, দুটা যন্ত্র আৰু ৫০ কেজি কেঁচা সামগ্রীৰ সহায়ত সর্বোচ্চ ১০খন চকী উৎপাদন কৰিব পাৰি।

এটা উৎপাদন ফলনক এক নির্দিষ্ট প্রযুক্তিৰ লগত সম্পর্কিত কৰিব পাৰি। যদিহে প্রযুক্তিৰ উন্নীত হয় তেন্তে বিভিন্ন উপাদান গোটবোৰে উৎপাদন কৰিব পৰা সর্বোচ্চ উৎপাদনৰ পৰিমাণ বৃদ্ধি হয়। তেতিয়া আমি এক নতুন উৎপাদন ফলন লাভ কৰো।

যদিহে আমি ধৰি লও যে এখন প্রতিষ্ঠানে (Q) পৰিমাণৰ উৎপাদন দুটা উপাদান যেনে মূলধন (K) আৰু শ্রম (L) ৰ সহায়ত কৰে তেন্তে উৎপাদন ফলনটোক আমি এনেদৰে ব্যক্ত কৰিব পাৰো—

$Q = f (L, K)$ য'ত

Q = উৎপাদনৰ পৰিমাণ, L = শ্রম, K = মূলধন, f = ফলন।

সাংখ্যিকভাৱে আমি উৎপাদন ফলনক এনেদৰে প্রকাশ কৰিব পাৰো—

$100 = f (2, 1)$

ওপৰোক্ত ফলনটোৰ সহায়ত আমি জানিব পাৰো যে দুজন শ্রমিক, এটা মূলধনৰ সহায়ত এখন প্রতিষ্ঠানে ১০০টা সামগ্রীৰ গোট উৎপাদন কৰিব পাৰে।

৪.৬ ৰৈখিক সমগুণসম্পন্ন উৎপাদন ফলন বা সমগোত্রীয়

যদিও উৎপাদন ফলন বিভিন্ন প্রকাৰৰ তথাপিও ৰৈখিক সমগুণসম্পন্ন উৎপাদন ফলনৰ প্রয়োগ আটাইতকৈ বেছি। এই উৎপাদন ফলনৰ মতে উপাদানৰ পৰিমাণ যিটো হাৰত বৃদ্ধি কৰা হয়, উৎপাদনৰ পৰিমাণো সেই হাৰতে বৃদ্ধি পায়। অর্থাৎ ৰৈখিক সমগুণসম্পন্ন উৎপাদন ফলনে

স্থিৰ প্ৰতিদান মাত্ৰাক সূচায়। দুটা উপাদান - শ্ৰম (L) আৰু মূলধন (K) ক গণ্য কৰি এই উপাদান ফলনক গাণিতীকভাৱে এনেদৰে প্ৰকাশ কৰিব পাৰি—

mQ = f (mL, mK) য'ত Q = মুঠ উৎপাদনৰ পৰিমাণ আৰু m = এটা বাস্তৱ সংখ্যা। এই উৎপাদন ফলনটোৰ মতে যদিহে L আৰু K ক 'm' পৰিমাণে বৃদ্ধি কৰা হয় তেন্তে উৎপাদনৰ পৰিমাণো 'm' পৰিমাণে বৃদ্ধি হ'ব। তলৰ উদাহৰণটো মন কৰা যাওক—

শ্ৰম **(L)**	মূলধন **(K)**	মুঠ উৎপাদন **(Q)**
2	1	100
4	2	200

ওপৰোক্ত উদাহৰণটোত স্পষ্ট হৈছে যে যেতিয়া উপাদানৰ পৰিমাণ L = 2 আৰু K = 1 আছিল, প্ৰতিষ্ঠানখনৰ মুঠ উৎপাদন হৈছিল 100। কিন্তু যেতিয়া উপাদানৰ পৰিমাণ দুগুণ বৃদ্ধি কৰা হ'ল (L = 4, K = 1), উৎপাদনৰ পৰিমাণ দুগুণ বৃদ্ধি হৈছে (Q = 200)। এইটো এটা ৰৈখিক সমগুণসম্পন্ন উৎপাদন ফলনৰ উদাহৰণ।

৪.৭ কাম্য উপাদানৰ সংযোজন

এজন উদ্যোক্তাই উপাদানৰ কোনটো সংযোজন ব্যৱহাৰ কৰিব তাকেই লৈ সমস্যাৰ সন্মুখীন হয়। কিয়নো উপাদানৰ বিভিন্ন সংযোজনত একে পৰিমাণৰ উৎপাদন লাভ কৰিব পাৰি আৰু ইয়াৰে এটা উপাদানৰ সংযোজন উৎপাদনকাৰীয়ে বাচনি কৰিব লাগে। আমি প্ৰথমতে দুটা প্ৰধান ধাৰণা আলোচনা কৰি লও হওক।

৪.৭.১ সম-উৎপাদন ৰেখা

উৎপাদনৰ সেই সম্ভাব্য সংযোজনবোৰৰ সংহতিক সম-উৎপাদন ৰেখা বুলি ক'ব পাৰো য'ত একে পৰিমাণৰ সৰ্বোচ্চ উৎপাদন লাভ কৰিব পাৰি।


ধৰা হওক এটা চেনিকলে নিম্নোক্ত ৪টা উপাদানৰ সংযোজনৰেই ২০ কুইণ্টল চেনি উৎপাদন কৰিব পাৰে।

(a) 5 টা L, 5 টা K

(b) 4 টা L, 6 টা K

(c) 2 টা L, 7 টা K

(d) 6 টা L, 4 টা K, L = শ্ৰম, K = মূলধন।




চিত্র (i) : সম-উৎপাদন ৰেখা

চিত্রত আমি শ্রমক OX অক্ষত আৰু মূলধনক OY অক্ষত তুলনা কৰিছো। ইয়াত আমি তিনিডাল সম-উৎপাদন ৰেখা $Q = Q_1$, $Q = Q_2$ আৰু $Q = Q_3$ লাভ কৰিছো। উপাদানৰ সংযোজন (L, K) আৰু (L′, K′)ছে আমাক একে উৎপাদন Q_1 প্রদান কৰিছে। যদি আমি মূলধন K′ ত একে ৰাখি শ্রমৰ পৰিমাণ L″ বৃদ্ধি কৰো তেন্তে আমি Q_2 সম-উৎপাদন ৰেখা লাভ কৰিম য'ত উৎপাদন বৃদ্ধি হ'ব। সেয়েহে উচ্চ সম-উৎপাদন ৰেখাই উচ্চ উৎপাদন সূচায়।

৪.৭.২ সম-ব্যয় ৰেখা

এডাল সম-ব্যয় ৰেখাই দুটা উপাদানৰ সেই সংযোজনবোৰক সূচায় যিবোৰ সংযোজনত উৎপাদন ব্যয় একে থাকে। অন্য অর্থত এডাল সম ব্যয় ৰেখাৰ প্রতিটো বিন্দুত উৎপাদন ব্যয় একে থাকে। ধৰাহওক এজন উৎপাদনকাৰীয়ে 120 টকাত এক নির্দিষ্ট পৰিমাণৰ উৎপাদন কৰিবৰ ববে শ্রম আৰু মূলধন ব্যৱহাৰ কৰে। ধৰাহওক শ্রম আৰু মূলধনৰ দৰ ক্রমান্বয়ে 15 টকা আৰু 10 টকা।

সংযোজন	মূলধন (K)	শ্রম (L)	মুঠ ব্যয় (টকা)
A	8	0	120 = (8 x 15) + (0 x 10)
B	6	3	120 = (6 x 15) + (3 x 10)
C	4	6	120 = (4 x 15) + (6 x 10)
D	2	9	120 = (2 x 15) + (9 x 10)
E	0	12	120 = (0 x 15) + (12 x 10)




চিত্র (ii) : সম-ব্যয় ৰেখা

ওপৰোক্ত চিত্ৰত আমি শ্ৰমক OX অক্ষত আৰু মূলধনক OY অক্ষত তুলনা কৰিছো। AB সৰলৰেখা শ্ৰম আৰু মূলধনৰ সেই সংযোজনবোৰৰ মাজেদি পাৰ হৈ গৈছে য'ত মুঠ ব্যয় 120 টকা হৈছে। সেয়েহে AB হৈছে সমবায় ৰেখা। উচ্চ সম-ব্যয় ৰেখাই উচ্চ ব্যয়ক সূচায়।

এজন উৎপাদনকাৰীয়ে এক নিৰ্দিষ্ট পৰিমাণৰ সামগ্ৰী উৎপাদন কৰিবৰ বাবে উপাদানৰ সেই সংযোজনটো বাচনি কৰিব য'ত উৎপাদন ব্যয় ন্যূনতম আৰু লাভ সৰ্বোচ্চ হয়। উপাদানৰ সেই সংযোজনটোক য'ত উৎপাদন ব্যয় ন্যূনতম হয় উপাদানৰ ন্যূনতম ব্যয়ৰ সংযোজন বুলি কোৱা হয়। উপাদানকাৰীৰ বাবে উপাদানৰ এই সংযোজনেই হৈছে কাম্য।

সমবায় ৰেখাক সম-উৎপাদন ৰেখাৰ চিত্ৰৰ লগত সংলগ্ন কৰি আমি এক নিৰ্দিষ্ট পৰিমাণৰ সামগ্ৰীৰ কাম্য উৎপাদন বিন্দু উলিয়াব পাৰো। সাধাৰণতে এডাল সম-উৎপাদন ৰেখাৰ যিটো বিন্দুত সমব্যয় ৰেখাৰ স্পৰ্শকৰ সৃষ্টি হয় সেই বিন্দুতেই উপাদানৰ ন্যূনতম ব্যয় গোটটো নিৰ্ধাৰণ হয়।

উপাদানৰ কাম্য গোটটোৰ নিৰ্ধাৰণ কিদৰে হয় তাক তলৰ চিত্ৰৰ সহায়ত বুজিব পাৰি—



চিত্র (iii) : ন্যূনতম উৎপাদন ব্যয়

ধৰাহওঁক উৎপাদকাৰীয়ে 100 টকা গোট উৎপাদন কৰিবৰ মনস্থ কৰিছ আৰু এই 100 টা গোটক 'Q' সমুৎপাদন ৰেখাই সূচাইছে। 100 টা সামগ্ৰীৰ উৎপাদন সমুৎপাদন ৰেখাৰ থকা শ্ৰম আৰু মূলধনৰ যিকোনো গোট যেনে P, S, E, K আৰু T ৰ সহায়ত উৎপাদন কৰিব পাৰি। কিন্তু চিত্ৰৰ পৰা স্পষ্ট হৈছে যে উৎপাদন ব্যয় 'E' বিন্দুতহে ন্যূনতম হৈছে য'ত সম ব্যয় ৰেখা 'CD' সম-উৎপাদন ৰেখা 'Q' ৰ লগত স্পৰ্শক হৈ আছে। অন্য বিন্দু যেনে P, S, K আৰু T ত উৎপাদন ব্যয় বেছি হয়। সেয়েহে উৎপাদনকাৰীয়ে কেৱল 'E' বিন্দুতহে উৎপাদন কৰিব, কাৰণ এই বিন্দুত থকা 'OM' পৰিমাণৰ শ্ৰম আৰু OW পৰিমাণৰ মূলধন হৈছে কাম্য উপাদানৰ সংযোজন। গতিকে 'E' উপাদানৰ সংযোজনেই হৈছে উৎপাদনকাৰীৰ বাবে ভাৰসাম্য বিন্দু।

সেয়েহে এইটো স্পষ্ট হৈছে যে সম-উৎপাদন ৰেখাৰ লগত সম ব্যয় ৰেখাৰ স্পৰ্শক বিন্দুটোৱেই হৈছে এক নিৰ্দিষ্ট পৰিমাণৰ সামগ্ৰীৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় উপাদানৰ ন্যূনতম ব্যয় সংযোজন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ উৎপাদন ফলনৰ সংজ্ঞা দিয়া।

প্ৰশ্ন নং ৪ঃ সৰল সমগুণ সম্পন্ন উৎপাদন ফলন কি?

প্ৰশ্ন নং ৫ঃ উপাদানৰ ন্যূনতম ব্যয় সমষ্টি বুলিলে কি বুজা?



অনুশীলনী

নিজৰ অঞ্চলৰ এখন উৎপাদন প্ৰতিষ্ঠানলৈ গৈ উৎপাদনকাৰীক তেওঁ ব্যৱহাৰ কৰা উপাদানবোৰৰ বিষয়ে সুধিবা। লগতে তেওঁক সুধিবা উৎপাদন ব্যয় কমাব বিচাৰে নেকি? আৰু উৎপাদনৰ মূল উদ্দেশ্য কি?

৪.৮ পৰিৱৰ্তনশীল অনুপাত বিধি

উৎপাদনৰ ধাৰণা

উৎপাদনৰ কাৰ্যৰ সন্দৰ্ভত, উৎপাদনৰ তিনিটা ধাৰণা ব্যৱহাৰ কৰা হয়, যেনে— সৰ্বমুঠ উৎপাদন, গড় উৎপাদন আৰু প্ৰান্তীয় উৎপাদন।

সৰ্বমুঠ উৎপাদন (TP) ঃ সৰ্বমুঠ উৎপাদনে (নাইবা সৰ্বমুঠ ভৌতিক উৎপাদন) এক নিৰ্দিষ্ট সময়ত এখন প্ৰতিষ্ঠানে নিৰ্দিষ্ট উপাদানৰ জৰিয়তে কৰা সৰ্বমুঠ দ্ৰব্য উৎপাদনৰ পৰিমাণকে বুজায়। অন্য সকলো উপাদান স্থিৰে থকা অৱস্থাত পৰিৱৰ্তনশীল উপাদান আৰু উৎপাদিত দ্ৰব্যৰ মাজৰ সম্পৰ্কক ই প্ৰকাশ কৰে। আমি ইয়াক তলত দিয়া ধৰণে লিখিব পাৰো—

$$Q = f (L, K)$$

এই ব্যৱস্থাত আমি মূলধন স্থিৰে ৰাখি শ্ৰমৰ পৰিমাণ পৰিৱৰ্তন কৰো। তাৰ পিছত, প্ৰতিটো শ্ৰমৰ (L) পৰিমাণৰ বিপৰীতে আমি উৎপাদনৰ (Q) একোটা পৰিমাণ পাম।

গড় উৎপাদন (AP) ঃ সংজ্ঞানুযায়ী, প্ৰতি একক পৰিৱৰ্তনশীল উপাদানৰ বিপৰীতে লাভ কৰা উৎপাদনৰ পৰিমাণকে গড় উৎপাদন বুলি কোৱা হয়। ই হ'ল প্ৰতি একক পৰিৱৰ্তনশীল উপাদানৰ জৰিয়তে উৎপাদন হোৱা পৰিমাণ। আমি ইয়াক এইদৰে গণনা কৰো—

$$AP = \frac{TP}{L}$$

ইয়াত, AP = গড় উৎপাদন

TP = সৰ্বমুঠ উৎপাদন

L = শ্ৰমৰ পৰিমাণ

ধৰা হ'ল, এখন প্ৰতিষ্ঠানৰ সৰ্বমুঠ উৎপাদন ১০০ একক আৰু নিয়োজিত শ্ৰমৰ পৰিমাণ ৫ একক। তেতিয়া হ'লে প্ৰতিষ্ঠানখনৰ গড় উৎপাদনৰ পৰিমাণ হ'ব—

$$AP = \frac{100}{5}$$

= 20 একক

প্ৰান্তীয় উৎপাদন (MP) ঃ সংজ্ঞানুযায়ী, এটা উপাদানৰ প্ৰান্তীয় উৎপাদন হ'ল প্ৰতি একক উপাদানৰ পৰিৱৰ্তনৰ ফলত সৰ্বমুঠ উৎপাদনত হোৱা পৰিৱৰ্তনৰ পৰিমাণ যেতিয়া উৎপাদনৰ অন্যান্য উপাদানসমূহ অপৰিৱৰ্তনীয় ৰখা হয়। যেতিয়া মূলধন অপৰিৱৰ্তনীয় ৰখা হয়, শ্ৰমৰ প্ৰান্তীয়

স্থিৰ উপাদান ঃ উৎপাদন প্ৰক্ৰিয়াত যিবিলাক উপাদানৰ পৰিমাণ একে থাকে তাকেই স্থিৰ উপাদান বোলে। উদাহৰণস্বৰূপে প্ৰকল্প, যন্ত্ৰপাতি, গৃহ ইত্যাদি। হ্ৰস্বকালত স্থিৰ উপাদানৰ পৰিৱৰ্তন নহয় কিন্তু দীৰ্ঘকালত এইবিলাকৰ পৰিৱৰ্তন কৰিব পাৰি।

পৰিৱৰ্তনশীল উপাদান ঃ যিবিলাক উপাদানৰ পৰিমাণ পৰিৱৰ্তন কৰিব পাৰি তাকেই পৰিৱৰ্তনশীল উপাদান বুলি ক'ব পাৰি। কেঁচা সামগ্ৰী, অনিয়মিত শ্ৰমিক ইত্যাদি পৰিৱৰ্তনশীল উপাদানৰ উদাহৰণ। পৰিৱৰ্তনশীল উপাদানৰ পৰিৱৰ্তন হ্ৰস্ব আৰু দীৰ্ঘ এই দুই কালতেই সম্ভৱ হয়।

উৎপাদন হৈছে—

$$MP = \frac{\text{মুঠ উৎপাদনৰ পৰিৱৰ্তনৰ পৰিমাণ}}{\text{উপাদানৰ পৰিৱৰ্তনৰ পৰিমাণ}}$$

$$= \frac{\Delta Q}{\Delta L}$$

$$= \frac{\Delta TP}{\Delta L}$$

য'ত, 'Δ' ই পৰিৱৰ্তনশীল উপাদানৰ পৰিমাণ সলনি হোৱা বুজায়। প্ৰান্তীয় উৎপাদন তলত দিয়া ধৰণেও গণনা কৰিব পাৰি—

MP = {L এককত হোৱা মুঠ উৎপাদন (TP)} – {(L – 1 এককত হোৱা মুঠ উৎপাদন)}

ধৰা হ'ল—

যেতিয়া L = 5, তেতিয়া TP = 100

যেতিয়া L = 6, তেতিয়া TP = 115

তেতিয়াহ'লে—

MP = 115 – 100

= 15 একক

মুঠ উৎপাদন হৈছে প্ৰান্তীয় উৎপাদনৰ যোগফল। অৰ্থাৎ $TP = \Sigma MPs$

মুঠ উৎপাদন, গড় উৎপাদন আৰু প্ৰান্তীয় উৎপাদন

শ্ৰমিকৰ গোট (L)	শ্ৰমিকৰ মুঠ উৎপাদন (TP_L)	শ্ৰমিকৰ গড় উৎপাদন ($AP_L=TP_2/L$)	শ্ৰমিকৰ প্ৰান্তীয় উৎপাদন ($MP_L = \Delta TP_L / \Delta L$)
0	0	–	–
1	15	15	15
2	35	17.5	20
3	50	16.67	15
4	40	10.0	–10
5	48	9.6	8

পৰিৱৰ্তনশীল অনুপাত বিধিটো আমি আলোচনা কৰোহওঁক—

পৰিৱৰ্তনশীল অনুপাত বিধিটোৱে উৎপাদন ফলনটোক তেতিয়া পৰ্যালোচনা কৰে যেতিয়া এটা উপাদানৰ পৰিমাণ পৰিৱৰ্তন কৰি উৎপাদন বৃদ্ধি কৰা হয়। অন্য অৰ্থত এই তত্ত্বটোৱে প্ৰকাশ কৰে যে এটা উপাদানৰ প্ৰান্তীয় উৎপাদন প্ৰথমতে ইয়াৰ নিয়োগ বৃদ্ধিৰ লগে লগে বৃদ্ধি পায় কিন্তু এক নিৰ্দিষ্ট পৰিমাণৰ নিয়োগৰ পাছত ই ক্ৰমান্বয়ে হ্ৰাস পায়।

তত্ত্বটোৰ স্বীকার্যসমূহ ঃ এই তত্ত্বটোৱে নিম্নোক্ত স্বীকার্যবোৰ মানি চলে—

i) প্রতিষ্ঠানখনে হ্রস্বকালত কার্য সাধন কৰে। অর্থাৎ কেৱল মাত্র এটা উপাদান পৰিৱর্তনশীল য'ত নেকি অন্যান্য উপাদানবোৰ স্থিৰ থাকে।

ii) উৎপাদনৰ প্রযুক্তি অপৰিৱর্তনশীল।

iii) পৰিৱর্তনশীল উপাদানৰ সকলো গোটৰ সক্ষমতা একেই।

iv) উৎপাদনৰ উপাদানসমূহ ইটো সিটোৰ সম্পূর্ণ প্রতিকল্প নহয়। শ্রমে মূলধনক আৰু মূলধনে শ্রমক সম্পূর্ণৰূপে আতৰাব নোৱাৰে।

এই তত্ত্বটোৱে পৰিৱর্তনশীল উপাদানটোৰ প্রতিদানৰ 3 টা স্তৰ ব্যক্ত কৰিছে। সেইকেইটা হৈছে—

i) ক্রমবর্ধমান প্রতিদান

ii) ক্রমহ্রাসমান প্রতিদান

iii) ঋণাত্মক প্রতিদান।

এই তিনিটা স্তৰ নিম্নোক্ত তালিকা আৰু চিত্রৰ সহায়ত ব্যাখ্যা কৰিব পাৰি—

উৎপাদনৰ প্রতিদান ঃ 3 টা স্তৰ

স্থিৰ উপাদান	শ্রমৰ গোট (পৰিৱর্তনশীল উপাদান)	মুঠ উৎপাদন (কুইণ্টল)	প্রান্তীয় উৎপাদন (কুইণ্টল)	গড় উৎপাদন (কুইণ্টল)	স্তৰ
5 একৰ ভূমি	1	8	8	8	স্তৰ I ক্রমবর্দ্ধমান প্রতিদান
	2	18	10	9	
	3	30	12	10	
	4	48	18	12	
	5	65	17	13	
	6	78	13	13	স্তৰ II ক্রমহ্রাসমান প্রতিদান
	7	84	6	12	
	8	88	4	11	
	9	90	2	10	
	10	90	0	9	
	11	88	–2	8	স্তৰ III ঋণাত্মক প্রতিদান
	12	84	–4	7	


ধৰাহওঁক এডোখৰ স্থিৰ পৰিমাণৰ মাটিত পৰিৱর্তনীয় উপাদান শ্রমক অধিক ব্যৱহাৰ কৰি ঘেহু উৎপাদন কৰিব বিচৰা হৈছে। এই স্থিৰ মাটিখিনিত শ্রমিকৰ পৰিমাণ। 1 জনৰ পৰা 7 জনলৈ বৃদ্ধি কৰি মুঠ উৎপাদন 8 কুইণ্টলৰ পৰা 90 কুইণ্টল কৰিব পাৰি। 9 জনতকৈ অধিক

শ্রমিক নিয়োগ কৰিলে মুঠ উৎপাদন হ্রাস হ'ব। পুনৰ এইটো উল্লেখযোগ্য যে 4 জন শ্রমিকলৈকে মুঠ উৎপাদন ক্রমবৰ্দ্ধমান হাৰত বৃদ্ধি হৈছে আৰু ইয়াৰ পাছত ই ক্রমহ্রাসমান হাৰত বৃদ্ধি পাইছে।

তালিকাত এইটোও পৰিস্ফুট হৈছে যে 10 জনতকৈ ততোধিক শ্রমিক নিয়োগ কৰিলে মুঠ উৎপাদন হ্রাস পাই অর্থাৎ ঋণাত্মক প্রতিদানৰ সৃষ্টি হয়। গড় উৎপাদনো 5 নম্বৰ শ্রমিকৰলৈকে বৃদ্ধি পাইছে আৰু তাৰ পাছত ই ক্রমান্বয়ে হ্রাস পাইছে।

তিনিটা স্তৰক চিত্রৰ সহায়ত বিশ্লেষণ

পৰিৱর্তনশীল উৎপাদন বিধিৰ 3 টা স্তৰ আমি চিত্রৰ সহায়ত বিশ্লেষণ কৰিব পাৰো। চিত্র (iv) ত আমি পৰিৱর্তনশীল উপাদানটোক OX অক্ষত আৰু মুঠ উৎপাদন, গড় উৎপাদন আৰু প্রান্তীয় উৎপাদন OY অক্ষত তুলনা কৰিছো। মুঠ উযপাদন ৰেখা প্রথমতে এটা বিন্দুলৈকে বৃদ্ধি পাইছে আৰু পাছত হ্রাস পাইছে। গড় উৎপাদন আৰু প্রান্তীয় উৎপাদনো আৰম্ভণীতে বৃদ্ধি পাইছে আৰু তাৰ পাছত হ্রাস পাইছে। প্রান্তীয় উৎপাদন গড় উৎপাদনতকৈ আগতীয়াকৈ হ্রাস পাইছে।



চিত্র (iv) : এটা পৰিৱর্তনশীল উপাদানৰ সৈতে উৎপাদনৰ 3 টা স্তৰ।

স্তৰ I ঃ ক্ৰমবৰ্দ্ধমান প্ৰতিদানৰ স্তৰ

ওপৰৰ চিত্ৰত মূল বিন্দুৰ পৰা 'F' বিন্দুলৈ মুঠ উৎপাদন ৰেখাৰ ঢাল বৃদ্ধি পাইছে। অৰ্থাৎ 'F' বিন্দুলৈকে মুঠ উৎপাদন ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি হৈছে। যিটোৱে প্ৰান্তীয় উৎপাদন বৃদ্ধিক সূচাইছে। 'F' বিন্দুৰ পাছত মুঠ উৎপাদন ক্ৰমহ্ৰাসমান হাৰত বৃদ্ধি পাইছে। অৰ্থাৎ প্ৰান্তীয় উৎপাদন হ্ৰাস হৈছে কিন্তু ই ধনাত্মক হৈ আছে। যেতিয়া গড় উৎপাদন সৰ্বোচ্চ হৈছে তেতিয়াই প্ৰথম স্তৰ শেষ হৈছে। এই স্তৰটোক ক্ৰমবৰ্দ্ধমান প্ৰতিদান স্তৰ বুলি কোৱা হয়। কাৰণ পৰিৱৰ্তনশীল উপাদানৰ গড় উৎপাদন গোটেই স্তৰটোতে বৃদ্ধি পাই আছে।

স্তৰ II ঃ ক্ৰমহ্ৰাসমান প্ৰতিদানৰ স্তৰ

এই স্তৰত মুঠ উৎপাদন সৰ্বোচ্চ বিন্দু 'M' পোৱালৈকে ক্ৰমহ্ৰাসমান হাৰত বৃদ্ধি পাইছে আৰু এই 'M' বিন্দুতেই ২য় স্তৰটো শেষ হৈছে। ইয়াত পৰিৱৰ্তনশীল উপাদানৰ প্ৰান্তীয় আৰু গড় উৎপাদন হ্ৰাস পাইছে কিন্তু ধনাত্মক হৈ আছে। ২য় স্তৰটোৰ শেষ বিন্দুত অৰ্থাৎ 'L_2' ত পৰিৱৰ্তনশীল উপাদানৰ প্ৰান্তীয় উৎপাদন শূন্য হৈছে। (M বিন্দুত TP সৰ্বোচ্চ হৈছে আৰু MP = 0)

স্তৰ III ঃ ঋণাত্মক প্ৰতিদানৰ স্তৰ

এই স্তৰত মুঠ উৎপাদন হ্ৰাস পাইছে আৰু সেয়েহে মুঠ উৎপাদন ৰেখা তললৈ নামি গৈছে। ফলস্বৰূপে পৰিৱৰ্তনশীল উপাদানৰ প্ৰান্তীয় উৎপাদন ঋণাত্মক হৈছে আৰু প্ৰান্তীয় উৎপাদন ৰেখা MP OX অক্ষৰ তললৈ নামি গৈছে। যিহেতু এইটো স্তৰত প্ৰান্তীয় উৎপাদন ঋণাত্মক হয়, সেয়েহে এই স্তৰটোক ঋণাত্মক প্ৰতিদান স্তৰ বুলি ক'ব পাৰি।

উৎপাদনৰ স্তৰ ঃ

এতিয়া এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈছে কোনটো স্তৰত এজন যুক্তিবাদী উৎপাদনকাৰীয়ে উৎপাদন কৰিব বিচাৰিব। তেওঁ ৩ য় স্তৰত কেতিয়াও উৎপাদন নকৰিব। কাৰণ এই স্তৰত তেওঁ এহাতেদি উচ্চ ব্যয় বহন কৰিব আৰু অন্যহাতেদি যিহেতু উৎপাদন কমে, সেয়েহে তেওঁৰ আয়ৰ পৰিমাণ হ্ৰাস পাব।

এখন লাভ সৰ্বোচ্চ কৰিব বিচৰা প্ৰতিষ্ঠানে ১ ম স্তৰটো উৎপাদন নকৰিব কিয়নো এই স্তৰত উৎপাদন বৃদ্ধিৰ লগে লগে প্ৰান্তীয় প্ৰতিদান বৃদ্ধি পাইছে। সেয়েহে প্ৰতিষ্ঠানখনে ২য় স্তৰতে উৎপাদন কৰাটো সমীচিন হ'ব।

তত্ত্বটোৰ কাৰ্যকৰণৰ কাৰণসমূহ ঃ


পৰিৱৰ্তনশীল অনুপাত বিধিটোৰ কাৰ্যকৰণৰ কাৰণ হৈছে— পোনপ্ৰথমে যেতিয়া স্থিৰ উপাদানৰ পৰিমাণ একে ৰাখি পৰিৱৰ্তনশীল উপাদানৰ পৰিমাণ বৃদ্ধি কৰা হয় তেতিয়া উৎপাদন কাৰ্যৰ বাবে পৰিৱৰ্তনশীল উপাদানৰ প্ৰতিটো গোটৰ প্ৰয়োজনীয়তা যথেষ্ট থাকে। কিন্তু যদি পৰিৱৰ্তনশীল উপাদানৰ পৰিমাণ প্ৰয়োজনতকৈ অধিক হয় তেন্তে ই উৎপাদন কাৰ্যত বিঘ্নপ প্ৰভাৱহে পেলায়। অৰ্থাৎ পৰিৱৰ্তনশীল উপাদানৰ প্ৰান্তীয় উৎপাদন হ্ৰাস পায়।

৪.৯ প্রতিদানৰ মাত্রা

পৰিৱর্তনশীল অনুপাত বিধিটোৱে এটা উপাদানৰ পৰিৱর্তন কৰি বাকী উপাদানবোৰ স্থিৰ ৰাখিলে উৎপাদনৰ কি পৰিৱর্তন হ'ব তাৰ ব্যাখ্যা কৰিছে। অন্যহাতেদি প্রতিদানৰ মাত্রাই সকলো উপাদানৰ পৰিমাণ পৰিৱর্তন কৰিলে উৎপাদনৰ কি পৰিৱর্তন হ'ব তাকেই অধ্যয়ন কৰে। প্রতিদানৰ মাত্রা দীর্ঘকালত প্রযোজ্য হয়।

প্রতিদানৰ মাত্রাই ক্রমবর্দ্ধমান, ক্রমহ্রাসমান আৰু স্থিৰ এই তিনিটা স্তৰ দেখুৱাই। যেতিয়া উৎপাদন বৃদ্ধিৰ আনুপাতিক পৰিমাণ উপাদান বৃদ্ধিৰ আনুপাতিক পৰিমাণতকৈ বেছি হয়। তেতিয়াই ক্রমবর্দ্ধমান প্রতিদান মাত্রাৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে যদিহে সকলো উপাদান 25% বৃদ্ধি কৰিলে উৎপাদনৰ পৰিমাণ বৃদ্ধি 45% হয় তেন্তে ইয়াক ক্রমবর্দ্ধমান প্রতিদানৰ মাত্রা বুলি কোৱা হয়।

বিভিন্ন উপাদান যেনে— উপাদানৰ অবিভাজ্যতা, বিশেষীকৰণ, শ্রম বিভাজন আদিৰ বাবে ক্রমবর্দ্ধমান প্রতিদান মাত্রাৰ সৃষ্টি হয়। ইয়াক সম-উৎপাদন ৰেখাৰ সহায়ত দেখুৱাব পাৰি।




চিত্র (v) : Increasing returns to scale

চিত্রত আমি Q_1, Q_2 আৰু Q_3 এই তিনিডাল সম-উৎপাদন ৰেখা পাইছো যি ক্রমান্বয়ে 100, 200 আৰু 300 একক উৎপাদন দেখুৱাইছে। OR হৈছে এডাল সৰল ৰেখা আৰু ই মাত্রাৰ বৃদ্ধিক দেখুৱাইছে। মাত্রাৰ পৰিমাণ বৃদ্ধি কৰি উৎপাদন বৃদ্ধি কৰোতে দেখা গৈছে যে সম-উৎপাদন ৰেখাৰ মাজৰ দূৰত্ব কমি গৈছে। চিত্রত দেখা গৈছে যে OA > AB > BC। ইয়াৰ পৰা বুজিব পাৰি যে ক্রমান্বয়ে উপাদান বৃদ্ধিৰ পৰিমাণ কমাই গৈ থাকিলেও উৎপাদনৰ পৰিমাণৰ তাৰতম্য নঘটে।

ক্রমহ্রাসমান প্রতিদানৰ মাত্রা

যেতিয়া উৎপাদন বৃদ্ধিৰ আনুপাতিক পৰিৱর্তন উপাদান বৃদ্ধিৰ আনুপাতিক

পৰিৱৰ্তনতকৈ কম হয় তেতিয়াই ক্ৰমহ্ৰাসমান প্ৰতিদানৰ মাত্ৰা দেখা যায়। এই স্তৰটোৱেই হৈছে ব্যৱসায় সম্প্ৰসাৰণৰ অন্তিম স্তৰ। কিছুমান অৰ্থনীতিবিদৰ মতে পৰিচালনাত দেখা দিয়া অসুবিধাৰ বাবে ক্ৰমহ্ৰাসমান প্ৰতিদানৰ মাত্ৰাৰ উদ্ভৱ হয়। তদুপৰি দীৰ্ঘকালত ব্যৱসায় সম্প্ৰসাৰণৰ ওপৰত নিয়ন্ত্ৰণ আৰু সমন্বয়ৰ অসুবিধাৰ বাবেও ক্ৰমহ্ৰাসমান প্ৰতিদান মাত্ৰাৰ সৃষ্টি হয়। ক্ৰমহ্ৰাসমান প্ৰতিদানৰ মাত্ৰাক সমুৎপাদন ৰেখাৰ সহায়ত দেখুৱাব পাৰি।




চিত্ৰ (vi) : Deareasing returns to scale

এই চিত্ৰটোত সমুৎপাদন ৰেখাৰ মাজৰ দূৰত্ব ক্ৰমে বৃদ্ধি পাইছে (AB > OA আৰু BC > AB)। অৰ্থাৎ একে পৰিমাণ উৎপাদন বৃদ্ধিৰ বাবে প্ৰয়োজন হোৱা উপাদানৰ পৰিমাণ ক্ৰমাৎ বৃদ্ধি পাই গৈ থাকে।

স্থিৰ প্ৰতিদানৰ মাত্ৰা ঃ

যদিহে উৎপাদন বৃদ্ধিৰ আনুপাতিক পৰিৱৰ্তন আৰু উপাদানৰ বৃদ্ধিৰ আনুপাতিক পৰিৱৰ্তনৰ পৰিমাণ একে হয় তেন্তে স্থিৰ প্ৰতিদানৰ মাত্ৰাৰ উদ্ভৱ হয়। গণিত বিজ্ঞানৰ স্থিৰ প্ৰতিদানৰ মাত্ৰাক ৰৈখিক সমগোত্ৰীয় উৎপাদন ফলন বুলিও ক'ব পাৰি। ইয়াক সম-উৎপাদন ৰেখাৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। চিত্ৰ (vii) দেখা গৈছে যে সম-উৎপাদন ৰেখাৰ মাজৰ দূৰত্ব একে আছে। অৰ্থাৎ AB = BC = CD । ই এইটো দেখুৱাইছে যে শ্ৰম আৰু মূলধন যি হাৰত বৃদ্ধি কৰা হৈছে সেই একে হাৰতে উৎপাদন বৃদ্ধি হৈছে।



চিত্র (vii) : Constant return

৪.১০ উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা আৰু অমিতব্যয়িতা

উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা ঃ

উৎপাদন প্ৰতিষ্ঠান অথবা উদ্যোগসমূহে উৎপাদনৰ পৰিসৰ বৃদ্ধি কৰি যিবোৰ সুবিধা লাভ কৰে তাকেই উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা বোলে। ইয়াক বৃহৎ উৎপাদনৰ সুবিধা বুলিও কোৱা হয়। উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা দুই ধৰণৰ—

উৎপাদনৰ পৰিসৰ— (ক) আভ্যন্তৰীণ মিতব্যয়িতা

(খ) বাহ্যিক মিতব্যয়িতা।

উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা ঃ

যেতিয়া কোনো এখন নিৰ্দিষ্ট উৎপাদন প্ৰতিষ্ঠান অথবা এটা উদ্যোগে উৎপাদনৰ পৰিসৰ বৃদ্ধি কৰাৰ বাবদ যি সুবিধা লাভ কৰে তাকেই উৎপাদনৰ পৰিসৰৰ আভ্যন্তৰীণ মিতব্যয়িতা বুলি জনা যায়। বিভিন্ন আভ্যন্তৰীণ মিতব্যয়িতা তলত ব্যাখ্যা কৰা হৈছে—

(i) বিত্তীয় মিতব্যয়িতা ঃ বৃহৎ উৎপাদনৰ পৰিসৰৰ এখন বৃহৎ আকাৰৰ প্ৰতিষ্ঠানে ক্ষুদ্ৰ আকাৰৰ প্ৰতিষ্ঠানৰ তুলনাত আৰ্থিক সুবিধা লাভ কৰে। কাৰণ ই সহজে বেংক ঋণ পাব পাৰে।

(ii) কাৰিকৰী সুবিধা ঃ কাৰিকৰী সুবিধা উদ্ভৱ হয় যেতিয়া প্ৰতিষ্ঠান এটাই বৃহৎ আকাৰৰ যন্ত্ৰপাতি ব্যৱহাৰ কৰে। বৃহৎ আকাৰৰ যন্ত্ৰপাতিৰ বেচি উৎপাদনৰ ক্ষমতা থাকে। যন্ত্ৰপাতিৰ উৎপাদন ক্ষমতা আৰু স্থিৰ ব্যয় একে থাকিলে, যিমানে কম পৰিমাণৰ উৎপাদন হ'ব সিমানে গড় ব্যয় উচ্চ হয় আৰু উচ্চ হাৰৰ উৎপাদনত কম গড় ব্যয় হ'ব। সেয়েহে এখন বৃহৎ আকাৰৰ উৎপাদনৰ প্ৰতিষ্ঠানৰ উৎপাদনৰ গড় ব্যয় কম হ'ব।

(iii) **বজাৰ মিতব্যয়িতা ঃ** এখন বৃহৎ উদ্যোগ প্রতিষ্ঠানে এখন ক্ষুদ্র উদ্যোগ প্রতিষ্ঠানৰ তুলনাত কেঁচামালৰ বাবে বৃহৎ চাহিদাৰ উদ্ভৱ কৰে। বৃহৎ উদ্যোগ প্রতিষ্ঠানবিলাকে ব্যাপক পৰিমাণে কেঁচামাল সংগ্রহ কৰাৰ কাৰণে কেঁচামাল বিক্রেতাই তেওঁলোকক ৰেহাই মূল্যত প্রদান কৰে। এনে ৰেহাই ক্ষুদ্র উৎপাদন প্রতিষ্ঠানবিলাকক কম কেঁচামাল ক্রয় কৰাৰ কাৰণে দিয়া নহয়। এখন বৃহৎ প্রতিষ্ঠানে উৎপাদিত দ্রব্যৰ বজাৰ চাহিদাৰ ব্যাপক পিয়ল হাতত ল'ব পাৰে।

(iv) **পৰিচালনাৰ মিতব্যয়িতা ঃ** এখন বৃহৎ উদ্যোগে পাৰদর্শিতা থকা লোক এজনক উৎপাদনৰ পৰিকল্পনা আৰু অনুষ্ঠানসমূহ চাবলৈ নিয়োগ কৰিব পাৰে। বৃহৎ আকাৰৰ উৎপাদনৰ ক্ষেত্রত পৰিচালনাৰ কামটো পাৰদর্শিতাৰে কৰা হয় যাৰ বাবদ ব্যয় হ্রাস হোৱাৰ সম্ভৱ হয়। বৃহৎ উৎপাদনৰ ক্ষেত্রত সমগ্র গোটটো বিভিন্ন ভাগত ভাগ কৰা হয়, যেনে— উৎপাদন, বজাৰ, ৰপ্তানি ইত্যাদি। প্রতিটো বিভাগ এজন পাৰদর্শিতা থকা পৰিচালকে আগবঢ়াই নিয়ে। সকলোৰে ওপৰত এজন সাধাৰণ পৰিচালনা নিযুক্ত কৰা হয়। পৰিচালনা সুবিধা উদ্ভৱ হয় নিপুন পৰিচালকৰ পাৰদর্শ কার্যৰ ফলত।

(v) **শ্রম সম্বন্ধীয় মিতব্যয়িতা ঃ** বৃহৎ আকাৰৰ প্রতিষ্ঠানৰ উৎপাদিত সামগ্রীৰ বাবে এখন বৃহৎ বজাৰ থাকে। সেয়ে এনে প্রতিষ্ঠানবোৰে শ্রম বিভাজন আৰু বিশেষীকৰণৰ কৰিব পাৰে। এনেবোৰ প্রতিষ্ঠানে কিছুমান সুবিধা যেনে— দ্রুত পদোন্নতি, পেঞ্চনৰ সুবিধা আদি আগবঢ়াব পাৰে।

(vi) **ক্ষতিশংকা বহন মিতব্যয়িতা ঃ** বৃহৎ আকাৰৰ প্রতিষ্ঠানে সহজে ক্ষতিশংকা বহন কৰিব পাৰে। এখন বৃহৎ প্রতিষ্ঠানে বিভিন্ন সামগ্রী উৎপাদন কৰিব পাৰে। এটা নির্দিষ্ট সামগ্রীক চাহিদা বজাৰত কমি গ'লেও বৃহৎ আকাৰৰ প্রতিষ্ঠানসমূহে অইন উৎপাদিত সামগ্রিৰ ওপৰত নির্ভৰ কৰিব পাৰে। তেওঁলোকে সহজে এটা বা অধিক গোটৰ বাবদ হোৱা লোকচান বহন কৰিব পাৰে।

উৎপাদনৰ পৰিসৰৰ বাহ্যিক মিতব্যয়িতা ঃ

এটা উদ্যোগৰ পৰা উদ্ভৱ হোৱা যিবোৰ সুবিধা সকলোবোৰ প্রতিষ্ঠানে লাভ কৰে তাকে বাহ্যিক মিতব্যয়িতা বোলা হয়। উদ্যোগসমূহৰ স্থানীয়কৰণৰ পৰা উদ্ভৱ হোৱা সুবিধাসমূহৰ লগত বাহ্যিক মিতব্যয়িতা জড়িত। অসমৰ ৰেচম উদ্যোগসমূহৰ কেন্দ্র হৈছে শুৱালকুছি। যেতিয়া শালৰ পৰিমাণ বাঢ়ি যাব তেতিয়া উৎকৃষ্ট ৰং দিয়া কল শুৱালকুছিত প্রতিষ্ঠা কৰা সম্ভৱ হয়। ইয়াৰ বাবে বোৱনীসকলৰ সুবিধা হয়। এইটো এটা বাহ্যিক মিতব্যয়িতাৰ উদাহৰণ। বাহ্যিক মিতব্যয়িতা তলত উল্লেখ কৰাৰ দৰে আলোচনা কৰিব পাৰি—

(i) **কেন্দ্রীয়কৰণৰ মিতব্যয়িতা ঃ** যেতিয়া প্রতিষ্ঠানসমূহ এটা নির্দিষ্ট অঞ্চলত কেন্দ্রীভূত হয় তেতিয়া সেইবোৰ প্রতিষ্ঠানে বিভিন্ন সুবিধা উপভোগ কৰা পৰিলক্ষিত হয়। এইবোৰ সুবিধাসমূহৰ ভিতৰত দক্ষতাপূর্ণ শ্রমিক, উন্নত পৰিবহন ব্যৱস্থা, ঋণৰ সুবিধা আদি।

(ii) **তথ্যপাতিৰ মিতব্যয়িতা ঃ** এটা বৃহৎ উদ্যোগে নিজৰ পিয়ল আৰু গৱেষণাৰ দ্বাৰা যেতিয়া

প্রতিবেদন, পৰিসংখ্যা আৰু অন্যান্য উৎপাদিত দ্ৰব্যৰ তথ্য, বজাৰ, ভৱিষ্যতৰ সুবিধা আৰু অন্যান্য সমন্ধীয় বিষয়ে প্ৰকাশ কৰে তেতিয়া অন্য ওচৰৰ প্ৰতিষ্ঠানসমূহে এইবিলাক দৰকাৰী তথ্য ব্যৱহাৰ কৰিব পাৰে।

(iii) কল্যাণ মিতব্যয়িতা ঃ এখন প্ৰতিষ্ঠানৰ কল্যাণ সমন্ধীয় আঁচনিসমূহে অইন প্ৰতিষ্ঠানসমূহৰ শ্ৰমিকৰ প্ৰতি যথাযুক্ত কল্যাণ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য কৰে। তাৰোপৰি সকলোবোৰ প্ৰতিষ্ঠানে সমাজৰ কল্যাণৰ বাবদ একেলগে সমূহীয়াকৈ কাম কৰিব পাৰে।

উৎপাদনৰ পৰিসৰৰ অমিতব্যয়িতা ঃ

এখন প্ৰতিষ্ঠানে অথবা এটা উদ্যোগে বৃহৎ আকাৰৰ উৎপাদন কৰাৰ বাবদ যি অসুবিধাৰ সন্মুখীন হয় তাকে উৎপাদনৰ পৰিসৰৰ অমিতব্যয়িতা বোলে। ইয়াত আভ্যন্তৰীণ বা বাহ্যিক অমিতব্যয়িতা থাকিব পাৰে।

উৎপাদনৰ পৰিসৰৰ আভ্যন্তৰিণ অমিতব্যয়িতা ঃ

(i) যেতিয়া এখন প্ৰতিষ্ঠানৰ পৰিসৰ এটা নিৰ্দিষ্ট জোখতকৈ বহল হয় তেতিয়া পৰিচালকে কাৰ্যসমূহ সমন্বয় কৰাত অসুবিধা পাই, দক্ষতাৰ ক্ষতি হয় আৰু বৃহৎ আকাৰৰ উৎপাদনৰ ভুল পৰিচালনাৰ সমস্যা উদ্ভৱ হয়।

(ii) প্ৰত্যেক যন্ত্ৰৰ এটা সৰ্বোচ্চ উৎপাদন ক্ষমতা থাকে আৰু যেতিয়া প্ৰতিষ্ঠানটোৱে দৰকাৰতকৈ বেছি বহল হয় তেতিয়া উৎপাদনৰ ব্যয় নবঢ়াকৈ উৎপাদন বঢ়োৱাত অসুবিধা হয়।

উৎপাদনৰ পৰিসৰৰ বাহ্যিক অমিতব্যয়িতা ঃ

উৎপাদনৰ পৰিসৰৰ কিছুমান বাহ্যিক অমিতব্যয়িতা আছে। এইবোৰ হ'ল—

(i) এটা উদ্যোগ এটা অঞ্চলত কেন্দ্ৰীভূত হোৱাৰ বাবে হোৱা অসুবিধাসমূহ বেছি স্পষ্ট হয়। যেতিয়া উদ্যোগটো বহল হয়। অপৰিকল্পিত নগৰ, পৰিৱেশ সম্বন্ধীয় প্ৰদূষণ আৰু অন্যান্য সমস্যা উদ্ভৱ হ'ব।

(ii) বৃহৎ আকাৰৰ উদ্যোগসমূহৰ কেঁচা সামগ্ৰীৰ চাহিদা বেছি হয় আৰু তাৰ ফলস্বৰূপে কেঁচা সামগ্ৰীৰ দৰ বৃদ্ধি হোৱা আৰম্ভ হয় যাৰ ফলত অৰ্থনীতিখনত মুদ্ৰাস্ফীতিৰ আগমন হয়।

শ্ৰম বিভাজন ঃ শ্ৰম বিভাজন মানে এটা কাম সৰু সৰু ভাগত বিভক্ত কৰা আৰু প্ৰতিটো ভাগ এটা নিৰ্দিষ্ট শ্ৰমিকক আৰোপ কৰা।

বিশেষীকৰণ ঃ বিশেষীকৰণ হৈছে এটা বহল অৰ্থত শ্ৰম বিবাজন। শ্ৰম বিভাজন বিশেষীকৰণ হয় কেৱল মাত্ৰ এটা উৎপাদনৰ উপাদান অৰ্থাৎ শ্ৰমৰ ক্ষেত্ৰত। কিন্তু বিশেষীকৰণে বুজাই বিশেষীকৰণ অন্য সকলোবোৰ উৎপাদনৰ উপাদানক ভূমি, মূলধন আৰু সংগঠন।

উদ্যোগৰ স্থানীয়কৰণ ঃ উদ্যোগৰ এটা অঞ্চলত কেন্দ্ৰীভূত হোৱা মানে উদ্যোগটো বিভিন্ন প্ৰতিষ্ঠানসমূহ এটা নিৰ্দিষ্ট ঠাই বা অঞ্চলত কেন্দ্ৰীভূত হোৱা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধি কি?

প্ৰশ্ন নং ৭ঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ তিনিটা স্তৰ কি কি?

প্ৰশ্ন নং ৮ঃ মাত্ৰাৰ প্ৰতিদান কি?

প্ৰশ্ন নং ৯ঃ মিতব্যয়িতা আৰু অমিতব্যয়িতাৰ সংজ্ঞা দিয়া।



৪.১১ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন উপাদান যেনে ভূমি, শ্ৰম, যন্ত্ৰপাতি, কেঁচা সামগ্ৰী ইত্যাদি ব্যৱহাৰ কৰি বিভিন্ন দ্ৰব্য আৰু সেৱা সামগ্ৰী প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়াকে উৎপাদন বোলে।
- ঘাইকৈ উৎপাদনৰ উপাদান চাৰিটা ভূমি, শ্ৰম, মূলধন আৰু সংগঠন আৰু এই উপাদানসমূহে উৎপাদনৰ প্ৰক্ৰিয়াত বৰঙণি আগবঢ়াই।
- এখন প্ৰতিষ্ঠানৰ উৎপাদন ফলনে সেই প্ৰতিষ্ঠানখনৰ উপাদানৰ লগত উযপাদনৰ সম্বন্ধ দেখুৱাই।
- ৰৈখিক সমগোত্ৰীয় উৎপাদনৰ ফলনে এইটোৱে আভাস দিয়ে যে যদি উৎপাদনৰ সকলোবোৰ উপাদান এটা নিৰ্দিষ্ট অনুপাতত বৃদ্ধি কৰা হয়, উৎপাদনো সেই একে অনুপাতত বৃদ্ধি হ'ব।
- কাম্য উপাদানৰ সংযোজন হৈছে সেই উপাদানৰ সংযোজন যিটো আটাইতকৈ কম ব্যয় বহল। এই উপাদানৰ সংযোজন সেই বিন্দুত নিৰ্ধাৰিত হয় যিটো বিন্দুত সম উৎপাদন ৰেখাৰ লগত সম উৎপাদন ব্যয় ৰেখাৰ স্পৰ্শক হয়।
- উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিয়ে এটা উৎপাদন ফলন পৰীক্ষা কৰে য'ত উৎপাদন বৃদ্ধি কৰা হয় এটা উপাদান পৰিৱৰ্তন কৰি আৰু অনান্য উপাদানসমূহ একে ৰাখি। এই ধাৰণাটো হ্ৰস্বকালীন অৱস্থাৰ লগত সমন্ধিত। কাৰণ ইয়াত স্থায়ী উপাদান আৰু পৰিৱৰ্তনীয় উপাদান দুয়ো ব্যৱহাৰ হয়।
- মাত্ৰাৰ প্ৰতিদানেই এটা উৎপাদনৰ ফলন পৰীক্ষা কৰে য'ত উপাদানসমূহ পৰিৱৰ্তন কৰি উৎপাদন বৃদ্ধি কৰা হয়। এই ধাৰণাটো দীৰ্ঘকালৰ লগত জৰিত।
- উৎপাদন প্ৰতিষ্ঠান অথবা উদ্যোগসমূহে উৎপাদনৰ পৰিসৰ বৃদ্ধি কৰি যিবোৰ সুবিধা লাভ কৰে তাকেই উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা বোলে।
- উযপাদন প্ৰতিষ্ঠান অথবা উদ্যোগসমূহে উৎপাদনৰ পৰিসৰ বৃদ্ধি কৰি যিবোৰ অসুবিধাৰ সন্মুখীন হয় তাকেই উৎপাদনৰ পৰিসৰৰ অমিতব্যয়িতা বোলে।



৪.১২ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Ahuja, H.L. (2007); *Advanced Economic Theory: Microeconomic Analysis*; New Delhi: S. Chand & Company Ltd.

2) Chopra, P.N. (2008): *Micro Economics*; Ludhiyana: Kalyani Publication.
3) Dewett, K.K. (2005). *Modern Economic Theory*; New Delhi: S. Chand & Company Ltd.
4) Sundharam, K.P.M. & Vaish M.C. (1997); *Microeconomic Theory*; New Delhi: S. Chand & Company Ltd.



৪.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ বিভিন্ন সামগ্ৰী আৰু সেৱা সামগ্ৰী প্ৰস্তুত কৰা প্ৰণালীকেই উৎপাদন বোলে।

২ নং প্ৰশ্নৰ উত্তৰঃ চাৰিটা উৎপাদনৰ উপাদানসমূহ হৈছে— ভূমি, শ্ৰম, মূলধন আৰু সংগঠন।

৩ নং প্ৰশ্নৰ উত্তৰঃ এখন প্ৰতিষ্ঠানৰ উৎপাদন ফলনে সেই প্ৰতিষ্ঠানৰ উৎপাদন আৰু ব্যৱহৃত উযপাদনৰ মাজৰ সমন্ধক সুচায়।

৪ নং প্ৰশ্নৰ উত্তৰঃ ৰৈখিক সমগোত্ৰীয় উৎপাদনৰ ফলনে এইটোৱে আভাস দিয়ে যে যদি উৎপাদনৰ সকলোবোৰ উপাদান এটা নিৰ্দিষ্ট অনুপাতত বৃদ্ধি কৰা হয়। উৎপাদনো সেই একে অনুপাতত বৃদ্দি হ'ব।

৫ নং প্ৰশ্নৰ উত্তৰঃ ই হৈছে উপাদানৰ সংযোজন য'ত প্ৰতিষ্ঠানখনে ব্যয় সৰ্বনিম্ন কৰে আৰু লাভ সৰ্বোচ্চ কৰে।

৬ নং প্ৰশ্নৰ উত্তৰঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিয়ে এটা উৎপাদন ফলন পৰীক্ষা কৰে য'ত উৎপাদন বৃদ্ধি কৰা হয় এটা উপাদান পৰিৱৰ্তন কৰি আৰু অন্যান্য উপাদানসমূহ একে ৰাখি।

৭ নং প্ৰশ্নৰ উত্তৰঃ উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ তিনিটা স্তৰ হৈছে ক্ৰমবদ্ধমান প্ৰতিদান, ক্ৰমহ্ৰাসমান প্ৰতিদান আৰু ঋণাত্মক প্ৰতিদান।

৮ নং প্ৰশ্নৰ উত্তৰঃ মাত্ৰাৰ প্ৰতিদানেই এটা উৎপাদনৰ ফলন পৰীক্ষা কৰে য'ত সকলোবোৰ উৎপাদনৰ উপাদানসমূহ পৰিৱৰ্তন কৰি উৎপাদন বৃদ্ধি কৰা হয়।

৯ নং প্ৰশ্নৰ উত্তৰঃ উৎপাদন প্ৰতিষ্ঠান অথবা উদ্যোগসমূহে উৎপাদনৰ পৰিসৰ বৃদ্ধি কৰি যিবোৰ সুবিদা লাভ কৰে তাকেই উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা বোলে। আনহাতে উৎপাদনৰ পৰিসৰ বৃদ্ধি কৰি যিবোৰ অসুবিধাৰ উদ্ভৱ হয় তাকেই উৎপাদনৰ পৰিসৰৰ অমিতব্যয়িতা বোলে।



৪.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ উৎপাদন ধাৰণাটো ব্যাখ্যা কৰা।

প্ৰশ্ন ২ঃ উৎপাদনৰ চাৰিটা উপাদান উল্লেখ কৰা আৰু প্ৰতিটোৰ দুটাকৈ বিশেষত্ব উল্লেখ কৰা।

প্ৰশ্ন ৩ঃ সংগঠনৰ এটা কাৰ্যাৱলী ব্যাখ্যা কৰা।

প্ৰশ্ন ৪ঃ উৎপাদন ফলন বুলিলে কি বুজা? উদাহৰণসহ ৰৈখিক সমগোত্ৰীয় উযপাদনৰ ফলনৰ ধাৰণাটো ব্যাখ্যা কৰা।

প্ৰশ্ন ৫ঃ চিত্ৰৰ সহায়ত উৎপাদনৰ পৰিৱৰ্তনশীল অনুপাত বিধিৰ ধাৰণাটো ব্যাখ্যা কৰা।

প্ৰশ্ন ৬ঃ উৎপাদনৰ পৰিসৰৰ মিতব্যয়িতা কি? যিকোনো চাৰিটা উৎপাদনৰ পৰিসৰৰ আভ্যন্তৰীণ মিতব্যয়িতা উল্লেখ কৰা।

*** ***** ***